জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩২৪/২০২২**

## এলায়েন্স এয়াৰৰ নতুন বিমান পৰিবহণ সেৱা ফ্লেগ অফ কৰিলে মুখ্যমন্ত্ৰীয়ে

## এই নতুন বিমান পৰিবহণ সেৱাই অঞ্চলটোৰ জনসাধাৰণৰ মাজত যোগাযোগ, পৰ্যটন আৰু বাণিজ্যৰ ক্ষেত্ৰখনক অধিক শক্তিশালী কৰি তুলিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩০ অক্টোবৰ ঃ** আঞ্চলিক যোগাযোগৰ ক্ষেত্ৰত এক নতুন মাত্ৰা সংযোজনেৰে কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ সৈতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয় আৰু মিজোৰামক সামৰি এলায়েন্স এয়াৰৰ বিমান পৰিবহণ সেৱা ভাৰ্চুৱেল মাধ্যমৰ যোগেদি ফ্লেগ অফ কৰি শুভ আৰম্ভণি কৰে। এলায়েন্স এয়াৰৰ এই নতুন বিমান পৰিবহণ সেৱাই লীলাবাৰী, জিৰো, শ্বিলং, ইম্ফল আৰু মিজোৰামক সামৰি ল'ব।

এই উপলক্ষে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই আজিৰ দিনটো এক উল্লেখযোগ্য দিন বুলি অভিহিত কৰে। তেওঁ কয় যে এলায়েন্স এয়াৰৰ এই বিমান পৰিবহণ সেৱাই উত্তৰ পূৰ্বাঞ্চলত বিশেষকৈ অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, মিজোৰাম আৰু মণিপুৰৰ মাজত বিমান পৰিবহণৰ পৰিসৰ বৃদ্ধি কৰিব। তেওঁ কয় যে এই বিমান পৰিবহণ সেৱা আৰম্ভ কৰাটো কেৱল আকাশী পথৰ সম্প্ৰসাৰণে নহয়, তাতোকৈ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল এই সেৱাই মানুহৰ মাজত যোগাযোগ, পৰ্যটন আৰু বাণিজ্যৰ ক্ষেত্ৰখনক বহু দূৰ আগুৱাই লৈ যাব।

অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰীৰ পৰিবহণৰ জৰিয়তে ৰূপান্তৰ নীতিৰ বাবে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহে যোৱা ৮ বছৰত যোগাযোগ খণ্ডত দ্ৰুত উন্নয়ন সম্ভৱ হৈ উঠিছে।

মুখ্যমন্ত্ৰীয়ে কয় যে লখিমপুৰ জিলাৰ লীলাবাৰী উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বাবে এক গুৰুত্বপূৰ্ণ কৰিড'ৰ। বিভিন্ন পৰ্যটনস্থলীৰ কৰিড'ৰ হিচাপেও এই বিমান বন্দৰটোৰ গুৰুত্ব অধিক বৃদ্ধি পাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইতিমধ্যে বিমান বন্দৰটোৰ বেছিক ষ্ট্ৰীপ আৰু আইচ'লেশ্যন বে নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে ৮৪ একৰ ভূমি হস্তান্তৰ কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে প্ৰধানমন্ত্ৰীৰ উদ্যোগত উড়ান আঁচনিৰ জৰিয়তে উত্তৰ পূৰ্বাঞ্চলৰ সকলো গুৰুত্বপূৰ্ণ চহৰক আঞ্চলিক যোগাযোগ আঁচনিৰ অধীনত একত্ৰিতকৰণ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰীৰ নেতৃত্বত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত নতুন টাৰ্মিনেলৰ কাম চৰকাৰে হাতত লৈছে আৰু এই কামে ইতিমধ্যে যথেষ্ট অগ্ৰগতি লাভ কৰিছে। ১৯৮৪ চনৰে পৰা বন্ধ হৈ থকা পশ্চিম অসমৰ ৰূপচী বিমান বন্দৰ উড়ান আঁচনিৰ জৰিয়তে পুনৰ উন্নয়ন সাধন কৰা হৈছে আৰু যোৱা বছৰৰ মে' মাহৰ পৰা এই বিমান বন্দৰ কাৰ্যক্ষম হৈ আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰীয়ে কয় যে আজি উত্তৰ পূৰ্বাঞ্চলে ভাৰতৰ বিমান পৰিবহণ সেৱাৰ বিকাশ সাধনত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। আজি এই সেৱাই এনে ৰূপ লৈছে যে যোৱা কিছু বছৰ আগত কোনেও কল্পনা কৰিব পৰা নাছিল বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে উড়ান আঁচনি বলবৎ হোৱাৰ লগে লগে ২০১৭ চনৰ আগষ্টৰ পৰা ২০২২ চনৰ আগষ্টলৈকে উত্তৰ পূবত বিমান চলাচলৰ সংখ্যা ৭৯৭৩ খনলৈ বৃদ্ধি পাইছে। এই বৃদ্ধিৰ হাৰ পূব, পশ্চিম, উত্তৰ আৰু দক্ষিণ মণ্ডলৰ বৃদ্ধিৰ হাৰতকৈও ৩৬ শতাংশ অধিক।

প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰীৰ দূৰদৰ্শী নেতৃত্বই অসম তথা উত্তৰ পূৰ্বাঞ্চলে ভৱিষ্যতে বিমান পৰিবহণ খণ্ডত অধিক অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে আত্মবিশ্বাস প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে এলায়েন্স এয়াৰে অঞ্চলটোত নতুন বিমান পৰিবহণ সেৱা আৰম্ভ কৰাৰ বাবেও ধন্যবাদ জ্ঞাপন কৰে।

কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী কিৰেণ ৰিজিজু, কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ভি কে সিং, মণিপুৰৰ মুখ্যমন্ত্ৰী এন বিৰেন সিং, মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাং, অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী প্ৰেমা খাণ্ডু, এলায়েন্স এয়াৰৰ চি ই অ' বিনীত ছুডে নিজ নিজ স্থানৰ পৰা ভাৰ্চুৱেল মাধ্যমৰ জৰিয়তে ফ্লেগ অফ অনুষ্ঠানত অংশগ্ৰহণ কৰে।

এই অনুষ্ঠানত পৰিবহণ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, পৰিবহণ বিভাগৰ আয়ুক্ত আদিল খান প্ৰমুখ্যে শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**
**৩০/১০/২০২২**